# অসমৰ বৌদ্ধিক ৰাজধানী যোৰহাট লোকসভা সমষ্টিৰ সন্মানীয় ভোটাৰ ৰাইজলৈ বিনম্ৰ নিবেদন

শ্ৰদ্ধাষ্পদেষু,

আন্তৰিক সেৱা, শ্ৰদ্ধা আৰু শুভেচ্ছা গ্ৰহণ কৰিব। জয়জয়তে আপোনালোক সকলোলৈকে আগন্তুক ৰঙালী বিহু আৰু ঈদৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

আমাৰ দেশ আৰু সংবিধানৰ চৰম সংকটকালত অহা ১৯ এপ্ৰিল, ২০২৪ ইং তাৰিখে যোৰহাট লোকসভা সমষ্টিৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। এই নিৰ্বাচন আমাৰ জাতীয় ৰাজনীতিৰ বাবেই নহয়; আমাৰ দেশৰ মহৎ সংবিধান, দেশৰ ঐক্য, সংহতি, জনগণৰ মাজত বৃহৎ পৰিসৰৰ ঐক্য, ক্ষুদ্ৰ জাতিসত্তাসমূহৰ আত্ম সন্মান, আত্ম মৰ্যাদা আৰু স্বকীয়তা; সৰ্বপোৰি অসমীয়া জাতি, অসমবাসী তথা অসমৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ। বিজেপি নেতৃত্বাধীন এনডিএ চৰকাৰে অসম তথা ভাৰতত ধৰ্মৰ নামত উন্মাদনা বিয়পাই জনগণৰ মাজত বিভাজনৰ ৰাজনীতিৰে বৃহৎ বাণিজ্যিক আৰু ব্যৱসায়িক গোষ্ঠীৰ স্বাৰ্থত কাম কৰি আহিছে। এনে অশুভ কাৰ্যকলাপৰ যোগেদি অসম তথা ভাৰতৰ সকলো স্তৰৰ জনগণৰ জীৱন আৰু ভৱিষ্যতলৈ সৰ্বোগ্ৰাসী সংকট নমাই আনিছে। শাসকীয় বিজেপিয়ে জাতীয় অৰ্থনীতিৰ চৰম সংকট নমাই আনি বৃহৎ বাণিজ্যিক আৰু ব্যৱসায়িক গোষ্ঠীক মুনাফাৰ বাট মোকলাই দিছে। জীৱনদায়ী ঔষধৰ পৰা আৰম্ভ কৰি নিত্য প্ৰয়োজনীয় প্ৰতিবিধ সামগ্ৰীৰ অবাধ মূল্য বৃদ্ধিৰ সুযোগ প্ৰদান কৰি সৰ্বসাধাৰণ কৃষক-শ্ৰমিক, মধ্যবিত্ত, সাধাৰণ চাকৰিজীৱিৰ জীৱন ধাৰণৰ ক্ষেত্ৰত ঘোৰ অমানিশা নমাই আনিছে। আমাৰ দেশ তথা ৰাজ্যখনৰ সাম্প্ৰতিক সংকটসমূহ অনুধাৱন কৰিবলৈ নিম্নোক্ত বিষয়কেইটা অনুভৱ কৰিবলৈ আপোনালোকক আমি বিনম্ৰ আহ্বান জনাইছোঁ।

## বৃহৎ ব্যৱসায়িক গোষ্ঠীৰ স্বাৰ্থবাহী বিজেপিঃ

ধৰ্মৰ নামত উন্মাদনা বিয়পোৱা বিজেপিৰ প্ৰধান লক্ষ্য হৈছে দেশৰ তথা দেশৰ বাহিৰৰ বৃহৎ বাণিজ্যিক আৰু ব্যৱসায়িক গোষ্ঠীৰ স্বাৰ্থসুৰক্ষিত কৰা। ২০১৪ চনত নৰেন্দ্ৰ মোদী ক্ষমতালৈ অহাৰ পিছত বিজেপি নেতৃত্বাধীন চৰকাৰে দেশৰ বৃহত্তম বাণিজ্যিক আৰু



ব্যৱসায়িক গোষ্ঠী কেইটামানক ১৪.৫৬ লাখ কোটি টকাৰ ঋন ৰেহাই দিছে। ইয়াৰ জৰিয়তে মূল লাভবান প্ৰতিষ্ঠান কেইটা হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ অভিন্ন হৃদয়ৰ বন্ধু গৌতম আদানী, আম্বানীৰ দৰে দেশৰ মুষ্টিমেয় কেইটামান বৃহৎ ব্যৱসায়িক গোষ্ঠী। ইয়াৰ বিপৰীতে দেশৰ অন্নদাতা কৃষকসকলে, আমাৰ ৰাজ্যখনৰ আই-মাতৃসকলে মহাজনী আৰু ব্যক্তিগত খণ্ডৰ বেঙ্কৰ ঋনৰ গ্ৰাসত পৰি আত্মহত্যাৰ পথ বাচি লবলৈ বাধ্য হৈছে।

কৃষকৰ উৎপাদিত শস্যৰ ন্যূনতম মূল্য নিৰ্ধাৰণৰ দাবীত আমাৰ দেশৰ কৃষকসকলে ৰাজপথত দিন কটাবলগীয়া হৈছে। আৰক্ষী-সেনাৰ লাঠিৰ কোবত এই আন্দোলনৰত কৃষকসকলে ৰাজপথতে ৰক্তাক্ত হ'বলগীয়া হৈছে। এয়া স্পষ্টভাৱে কৃষকবিৰোধী বিজেপি চৰকাৰৰ নীতিৰ ফলশ্ৰুতি।

## দুৰ্নীতি-মূল্যবৃদ্ধিৰ কৰাল গ্ৰাসত ভাৰতঃ

বিদেশৰ বেংকৰ পৰা কলাধন ঘূৰাই আনি প্ৰত্যেক ভাৰতীয় নাগৰিকৰ একাউণ্টত ১৫ লাখ টকাকৈ জমা কৰাৰ প্ৰতিশ্ৰুতিৰে ক্ষমতালৈ অহা বিজেপিৰ শাসনত দুৰ্নীতিৰ কৰাল ৰূপত জনজীৱন বিধ্বস্ত হৈ পৰিছে। বিজেপি দলে দেশৰ বিভিন্ন কোম্পানীক দুৰ্নীতি নিবাৰক তথা বিভিন্ন চৰকাৰী সংস্থাৰ জৰিয়তে ব্লেক মেইলিং কৰি অথবা বিভিন্ন সুযোগ সুবিধা প্ৰদানৰ প্ৰতিশ্ৰুতিৰে ইলেক্টৰেল বণ্ড ক্ৰয় কৰিবলৈ বাধ্য কৰি বিজেপিৰ দলীয় তহবিলত দান-দক্ষিণাৰ নামত উৎকোচ দিবলৈ বাধ্য কৰিছে।  ইয়াৰ জৰিয়তে বিগত পাঁচ বছৰত দেশৰ একাংশ কোম্পানী তথা প্ৰতিষ্ঠানৰ পৰা বিজেপিয়ে ৬,৯৮৬.৫ কোটি টকা উৎকোচ গ্ৰহণৰ তথ্য উচ্চতম ন্যায়ালয়ৰ প্ৰচণ্ড হেঁচাত পোহৰলৈ আহিছে। ভাৰতৰ বিজেপি নেতৃত্বাধীন চৰকাৰৰেই বিত্তমন্ত্ৰী ডঃ নিৰ্মলা সীতাৰমণৰ স্বামী পাৰাকুলা প্ৰভাকৰে 'ইলেক্টৰেল বণ্ডৰ নামত বিজেপিয়ে সংঘটিত কৰা এই দুৰ্নীতিক অকল ভাৰতৰেই নহয়, বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ অৰ্থনৈতিক দুৰ্নীতি' বুলি অভিহিত কৰিছে। বিশ্বৰ এগৰাকী প্ৰখ্যাত অৰ্থনীতিবিদ হিচাপে খ্যাতিমান পাৰাকুলা প্ৰভাকৰে ভৱিষ্যতবাণী কৰিছে যে এই দুৰ্নীতিৰ বাবে বিজেপি আসন্ন লোকসভা নিৰ্বাচনত ভয়াবহ কুফল ভোগ কৰিব লাগিব। ইলেক্টৰেল বণ্ড ক্ৰয়ৰ বিনিময়ত বিজেপিয়ে একাংশ কোম্পানী তথা প্ৰতিষ্ঠানক ঠিকা-ঠুকলি আবণ্টন দিছে। আন একাংশ ঔষধ আৰু অন্যান্য সামগ্ৰী উৎপাদনকাৰী কোম্পানীৰ পৰা ইলেক্টৰেল বণ্ডৰ নামত উৎকোচ লৈ উক্ত কোম্পানীবোৰক তেওঁলোকে উৎপাদন কৰা ঔষধ তথা সা-সামগ্ৰীৰ দাম বৃদ্ধিৰ সুযোগ দি ভাৰতীয় জনগণক তিল তিলকে মৃত্যুমুখলৈ ঠেলি দিছে বিজেপিয়ে। সাম্প্ৰতিক সময়ত জীৱনদায়ী সামগ্ৰীৰ পৰা আৰম্ভ কৰি ঘৰুৱা তথা নিৰ্মাণ সামগ্ৰীৰ

অত্যধিক মুল্যবৃদ্ধিৰ অন্যতম প্ৰধান কাৰণ হৈ পৰিছে বিজেপিৰ শাসনকালত প্ৰবৰ্তন কৰা ইলেক্টৰেল বণ্ড।

## দেশীয় নাগৰিকলৈ পিঠি দি বিদেশীলৈ বৰপীৰা বিজেপিৰঃ

২০১৪ চনৰ নিৰ্বাচনী প্ৰচাৰলৈ আহি সেই সময়ৰ বিৰোধী নেতা তথা বৰ্তমানৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই সদম্ভে ঘোষণা কৰিছিল যে ২০১৪ চনৰ ১৬ মে'ৰ পাছত ভাৰতৰ পৰা বিদেশী নাগৰিকসকলে টালি-টোপোলা বান্ধি পলায়ন কৰিব লাগিব। বিদেশী নাগৰিকৰ সমস্যা সমাধানৰ বাবে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণক প্ৰথম আৰু প্ৰধান অগ্ৰাধিকাৰ বুলিও ঘোষণা কৰিছিল বিজেপিয়ে। কিন্তু ক্ষমতাত অধিষ্ঠিত হৈ বিজেপিয়ে উচ্চতম ন্যায়ালয়ৰ তত্বাৱধানত চূড়ান্ত হোৱা এন আৰ চি গ্ৰহণ কিম্বা উন্নীতকৃত এন আৰ চিৰ পৰা নাম বাদ পৰা লোকৰ বিৰুদ্ধে বিদেশী ন্যায়াধিকৰণত বিচাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈকো সাহস গোটাব নোৱাৰিলে বিগত চাৰিটা বছৰে। ফলত এন আৰ চিৰ পৰা নাম বাদ পৰা অথবা নাম অন্তৰ্ভুক্ত হোৱা একাংশ অসমৰ লোক যিসকলে এন আৰ চিৰ জটিল প্ৰক্ৰিয়াৰ শুনানীৰ সময়ত বায়োমেট্ৰিক্স দিবলগীয়া হৈছিল, তেওঁলোকৰ আধাৰ কাৰ্ড বন্ধ হৈ আছে। দেশীয় এই লোকসকলে সকলো ধৰণৰ চৰকাৰী সা-সুবিধাৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। আধাৰকাৰ্ড বঞ্চিত এই লোকসকলৰ মাজত যেনেকৈ সৰহভাগ বাঙালী হিন্দু লোক, একেদৰেই আছে একাংশ মুছলমান তথা অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ খিলঞ্জীয়া লোক। ভাৰতীয় এই লোকসকলৰ জ্বলন্ত সমস্যা সমাধানত গুৰুত্বহীন বিজেপি চৰকাৰে অসমীয়া জাতি, অসমবাসীক চৰম প্ৰত্যাহ্বান জনাই নাগৰিকত্ব সংশোধনী আইন (CAA) বলৱৎ কৰি অসমৰ ভূমি চিৰদিনলৈ বিদেশীৰ বাবে মুকলি কৰি দিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে। এয়া অসমৰ জাতীয় সহমত, অসমৰ সকলো শ্ৰেণীৰ লোকৰ স্বাৰ্থৰ পৰিপন্থী। বিজেপি চৰকাৰৰ এই পদক্ষেপে অসম চুক্তিক পদদলিত কৰিছে। এই পদক্ষেপে অসমীয়া জাতি তথা ইয়াৰ সকলো জাতি -জনগোষ্ঠীয় লোকৰ কৃষ্টি, সংস্কৃতি, ভাষা, অৰ্থনীতিকেই ক্ষতিগ্ৰস্ত নকৰিব; অসমীয়া জাতিক, অসমবাসীক অৰ্থনৈতিকভাবে পঙ্গু কৰিব! এই প্ৰক্ৰিয়াই অদূৰ ভৱিষ্যতে অসমীয়া তথা অসমবাসীক নিজৰ মাটি-ভেটিৰ পৰা উচ্ছেদৰ বাট প্ৰশস্ত কৰিব।

## সাংবিধানিক সংকটঃ

প্ৰসিদ্ধ সাংবাদিক প্ৰভাত যোশীৰ মতে, বিজেপি কোনো ৰাজনৈতিক দল নহয়, ই হ'ল ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (RSS)ৰ এক ৰাজনৈতিক সংগঠন। এই আৰ এছ এছ আছিল বৃটিছৰ ভৃত্যস্বৰূপ সংগঠন, যাৰ ভূমিকা আছিল ভাৰতৰ স্বাধীনতা আন্দোলনৰ বিৰোধী। স্বাধীনতা পৰৱৰ্তী অৰ্ধ শতিকাতকৈও অধিক কাল ভাৰতৰ জাতীয় পতাকা নিজৰ কাৰ্যালয়ত



উত্তোলন নকৰা আৰ এছ এছ আৰু ইয়াৰ অনুগতসকলেই আজি যধেমধে দেশপ্ৰেমৰ কথা কয়। হকে-বিহকে স্বাধীনতা আন্দোলনৰ উত্তৰাধিকাৰী সকলক দেশদ্ৰোহী অভিধা জাপি দি চৰম নিৰ্যাতন নমাই আনে। ভাৰতৰ স্বাধীনতা আন্দোলনৰ ঐতিহ্য, ইতিহাস ধ্বংস কৰিবলৈ অহৰ্নিশে প্ৰয়াস কৰা বিজেপিয়ে সংবিধানৰ শপত লৈ ক্ষমতাত অধিষ্ঠিত হৈ আছে যদিও দৈনন্দিন ভাৰতৰ সংবিধান বিৰোধী কথা আৰু কাৰ্যৰে নতুন অভিলেখ গঢ়িছে। ভাৰতীয় জনগণৰ অসীম ত্যাগ আৰু সংগ্ৰামৰ ফলশ্ৰুতিত প্ৰাপ্ত আমাৰ মহৎ সংবিধান পৰিবৰ্তনৰ চেষ্টা চলাই আহিছে বিজেপিয়ে।ফলত ক্ষুদ্ৰ জাতি-জনগোষ্ঠীবোৰৰ ন্যায্য প্ৰাপ্য আজি চৰম প্ৰত্যাহ্বানৰ সন্মুখীন। এক জাতি, এক ধৰ্ম, এক ভাষা, এক দেশ, এক নেতা, এক নিৰ্বাচনৰ উন্মাদনা বিয়পাই বিজেপিয়ে মাথোঁ ভাৰতৰ সংবিধানৰ বহুত্ববাদী ধাৰণাকে প্ৰত্যাহ্বান জনোৱা নাই বৰং ভাৰতীয় সমাজৰ বহুত্ববাদী বৈশিষ্ট্য লৈ নমাই আনিছে চৰম সংকট।

## জনজাতিকৰণৰ প্ৰতিশ্ৰুতি অসাৰঃ

তাই-আহোম, কোচ-ৰাজবংশী, চাহ জনগোষ্ঠী, মৰাণ-মটক, চুতীয়াসহ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰতিশ্ৰুতিৰে ক্ষমতালৈ অহা বিজেপিয়ে সুদীৰ্ঘ ১০ বছৰেও বিষয়টোৰ আশু সমাধান নকৰিলে।

## শ্ৰমিকক বঞ্চনাঃ

দহ বছৰে এমজিএনৰেগা আঁচনিৰ শ্ৰমিকৰ মজুৰি ১ শতাংশও বৃদ্ধি নকৰাৰ ফলত গ্ৰামাঞ্চলৰ কৰ্মসংস্থানৰ লক্ষ্যৰে গৃহীত এমজিএনৰেগা আঁচনিখন আজি লুণ্ঠনৰ থলী হৈ পৰিছে। কিয়নো, ৫০০ টকা দৈনিক হাজিৰাৰ যুগত এমজিএনৰেগা আঁচনিত কোনো লোকেই এতিয়া দুশ টকা হাজিৰাত কাম কৰিবলৈ নোযোৱাটো তেনেই স্বাভাৱিক। ফলত দিনত দুবাৰ ফটো উঠোৱাৰ নামত একাংশ চৰকাৰী দলৰ কৰ্মীয়ে এমজিএনৰেগা শ্ৰমিকক ৫০ টকাকৈ আদায় দি বাকী সমুদায় ধনৰ শৰাধ পাতি আহিছে।

## চাহ শ্ৰমিকক প্ৰতাৰণাঃ

চাহ শ্ৰমিকৰ ন্যূনতম মজুৰি আদায়ৰ নামত অবাধ লুণ্ঠন চলিছে বিজেপিৰ শাসনকালত। চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৩৫০ টকালৈ বৃদ্ধিৰ প্ৰতিশ্ৰুতিৰে ক্ষমতালৈ অহা বিজেপিৰ শাসনত আজিও ২৫০ টকা হাজিৰাত কাম কৰিবলৈ বাধ্য হৈছে অসমৰ চাহ শ্ৰমিকসকলে।

## খিলঞ্জীয়া জাতি-জনগোষ্ঠীক অৱজ্ঞাঃ

একক, সুসংহত, ঐক্যবদ্ধ আৰু পৰাক্ৰমী অসম গঢ়ি তোলা আহোম জনগোষ্ঠীয়ে ভাৰতৰ স্বাধীনতা আন্দোলনত এক অনন্য ভূমিকা পালন কৰাই নহয়, স্বাধীনোত্তৰ ভাৰততো অসমৰ ৰাজনীতিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। আহোম জনগোষ্ঠীৰ লগতে অসমৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীসমূহৰ ৰাজনৈতিক ভূমিকা সংকুচিত কৰি আনিছে বিজেপি চৰকাৰে। একেদৰে চাহ জনগোষ্ঠীকো ক্ৰমান্বয়ে ৰাজ্যিক ৰাজনীতিত গুৰুত্বহীন কৰাটো বিজেপিৰ শাসনকালৰ এক বেদনাদায়ক পৰিঘটনা। ধৰ্মীয় সংখ্যালঘু সকলক হকে বিহকে আক্ৰমণৰ লক্ষ্য কৰি বিজেপিয়ে ভাষাভিত্তিক অসমীয়া জাতিক বহুধাবিভক্ত কৰিবলৈ অহৰ্নিশে চেষ্টা চলাই গৈছে।

## স্বায়ত্ত শাসিত পৰিষদক গুৰুত্বহীনঃ

কংগ্ৰেছৰ শাসনকালত অসম চৰকাৰে ক্ষুদ্ৰ জাতিসত্তাসমূহৰ উত্তৰণৰ স্বাৰ্থত বিভিন্ন স্বায়ত্ব শাসিত পৰিষদৰ লগতে অতি ক্ষুদ্ৰ জাতিসত্তাসমূহৰ বিকাশ দ্ৰুততৰ কৰিবলৈ কিছুমান উন্নয়ন পৰিষদ গঠন কৰা হৈছিল। বিজেপিৰ শাসনকালত উক্ত স্বায়ত্ব পৰিষদ তথা উন্নয়ন পৰিষদসমূহৰ ক্ষমতা আৰু পৰিসৰ হয় সংকুচিত কৰা হৈছে; নহয় ধনৰ আবণ্টন হ্ৰাস কৰা হৈছে। মিছিং, দেউৰী, ঠেঙাল কচাৰী, সোনোৱাল কচাৰী উন্নয়ন পৰিষদলৈ বিগত ১০ বছৰীয়া ধন আবণ্টন আৰু মোকলাই দিয়াৰ তথ্যলৈ চকু ফুৰালেই যিকোনো ব্যক্তিয়ে এই বঞ্চনাৰ দিশটো বুজিবলৈ সক্ষম হ'ব।

## মূল্যবৃদ্ধি ৰোধত ব্যৰ্থ চৰকাৰঃ

ৰন্ধন গেছ, পেট্ৰলজাত সামগ্ৰীৰ মূল্যবৃদ্ধিৰ বিষয়টোক ইছ্যু কৰি ভাৰতৰ ক্ষমতাত অধিষ্ঠিত হৈছিল বিজেপি। বৰ্তমান বিজেপিৰ সমগ্ৰ শাসনকালত পূৰ্বৰ কংগ্ৰেছ নেতৃত্বাধীন ইউপিএৰ শাসনকালৰ তুলনাত আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ মূল্য তিনি ভাগৰ দুভাগ হ্ৰাস পাইছে যদিও বিজেপিৰ শাসনকালত পূৰ্বৰ ৪৩০ টকীয়া ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰ এটাৰ মূল্য ৯৭০ টকালৈ বৃদ্ধি পাইছে। পেট্ৰলৰ মূল্য ৪০ শতাংশ আৰু ডিজেলৰ মূল্যও ৭৫% পূৰ্বৰ তুলনাত বৃদ্ধিহে পাইছে। ঔষধ, মিঠাতেল, চিমেণ্ট, কাপোৰ-কানি, লোহ, ঘৰুৱা আচবাব আদি সকলো কোম্পানী উৎপন্ন সামগ্ৰীৰ মূল্য বিজেপিৰ শাসনকালত পূৰ্বৰ যিকোনো চৰকাৰৰ সময়ৰ তুলনাত অভিলেখ হাৰত বৃদ্ধি পাইছে। একে সময়তে বিদ্যুৎ মাছুল, জলকৰ, ভূমিকৰ, গৃহ নিৰ্মাণ কৰ, সম্পত্তি কৰ, সেৱা কৰ পেট্ৰল-ডিজেলৰ ওপৰত



কৰ আদি বৃদ্ধি অথবা নতুনকৈ আৰোপ কৰি জনজীৱন কোঙা কৰি তুলিছে। খাদ্য সামগ্ৰী, সাধাৰণ লোকে ব্যৱহাৰ কৰা কাপোৰ-কানি জিএছটিৰ আওতালৈ আনি দুখীয়া আৰু মধ্যবিত্ত সমাজৰ জীৱন নিৰ্বাহৰ পথ দুৰ্বিসহ কৰি তুলিছে বিজেপি চৰকাৰে।

## কৃষককো বঞ্চনাঃ

কৃষিভূমি বাণিজ্যিক শ্ৰেণীলৈ পৰিবৰ্তন ঘটাই অনা-অসমীয়া লোকৰ হাতলৈ অথবা বৃহৎ পূঁজিৰ মালিকসকলৰ হাতত অসমৰ ভূমি কুক্ষিগত কৰাৰ অপকৌশল ৰচনা কৰা বিজেপিৰ শাসনকালত ৰাজহুৱা খণ্ডৰ উদ্যোগ ধ্বংস কৰা হৈছে। কৰ্মসংস্থানৰ অভাৱত অসমৰ যুৱক-যুৱতী বহিঃৰাজ্যলৈ গৈ ব্যক্তিগত কোম্পানী আৰু মধ্যভোগীৰ চৰম শোষণ-নিৰ্যাতনৰ বলি হ'বলগীয়া হৈছে।

## নাৰী নিৰ্যাতন বৃদ্ধিঃ

বিজেপিৰ শাসনকালত আইন-শৃঙ্খলা পৰিস্থিতিৰ দ্ৰুত অৱনতি ঘটিছে। মহিলাৰ নিৰাপত্তা নোহোৱা হৈ পৰিছে। নাৰীৰ বিৰুদ্ধে অপৰাধৰ ঘটনা বৃদ্ধি পাইছে। আনকি, মহিলা আৰক্ষী বিষয়াও ৰহস্যজনক মৃত্যুৰ বলি হ'বলগীয়া হৈছে যদিও অপৰাধী সকল নিৰ্বিবাদে সাৰি গৈছে। অপৰাধমূলক কাৰ্যকলাপ প্ৰতিৰোধত ব্যৰ্থ বিজেপি চৰকাৰে অপৰাধমূলক কাৰ্যকলাপৰ প্ৰকৃত সংখ্যা আঁৰ কৰিবলৈ শেহতীয়াকৈ আৰক্ষী থানাসমূহক গোচৰ পঞ্জীয়ন নকৰিবলৈ নিকৃষ্ট নিৰ্দেশনা জাৰি কৰিছে। ফলত আইনৰ শাসন এক প্ৰহসনত পৰিণত হৈছে।

## দুৰ্নীতিৰ চৰম সীমা অতিক্ৰমঃ

বিজেপিৰ শাসনকালত চৰকাৰী বিভাগত দুৰ্নীতিয়ে চৰম ৰূপ ধাৰণ কৰিছে। সাধাৰণ ঠিকা-ঠুকলি আবণ্টনৰ ক্ষেত্ৰত সৰ্বসাধাৰণ অসমীয়া, অসমবাসীক চৰম বঞ্চনাৰ বলি কৰা হৈছে। যিকোনো ঠিকা আবণ্টনৰ ক্ষেত্ৰত সৰ্বসাধাৰণ অসমীয়া, অসমবাসী ক্ষুদ্ৰ আৰু মজলীয়া ব্যৱসায়ীসকলক বঞ্চিত কৰিবলৈ পেকেজিং ব্যৱস্থাৰ পাতনি মেলা হৈছে। ইয়াৰ জৰিয়তে ৫০ লাখ, ১ কোটিৰ নিবিদা আহ্বান প্ৰক্ৰিয়া পাৰ্যমানে বন্ধ কৰাৰ প্ৰক্ৰিয়া চলিছে। এই ব্যৱস্থাত পাৰ্যমানে বিভিন্ন কাম একেলগ কৰি ২০০ কোটি বা ততোধিক মূল্যৰ নিবিদা নিৰ্ধাৰণ কৰা হৈছে যাতে বহিঃৰাজ্যৰ অনা-অসমীয়া তথা বৃহৎ ব্যৱসায়িক গোষ্ঠীৰ বাদে

আন লোকে এনে কামৰ বাবে নিবিদা দাখিল কৰিব নোৱাৰে। নিবিদা আবণ্টনৰ ক্ষেত্ৰত তলৰ শ্ৰেণীৰ বিষয়া কৰ্মচাৰীৰ ভূমিকা প্ৰতিহত কৰি শীৰ্ষ প্ৰশাসনৰ নিয়ন্ত্ৰণাধীন কৰা হৈছে। সাধাৰণ অসমীয়া ঠিকাদাৰ, মজলীয়া ব্যৱসায়ী সকলক বঞ্চিত কৰিবলৈকে এনে পদক্ষেপ গ্ৰহণ কৰিছে বিজেপি চৰকাৰে।

শ্ৰদ্ধাৰ যোৰহাট লোকসভা সমষ্টিবাসী ৰাইজ, দেশৰ তথা অসমৰ এই বহুমুখী সংকটকালত আমাৰ দেশ, আমাৰ সংবিধান, আমাৰ জাতি, আমাৰ ভূমি, আমাৰ ঐতিহ্য আৰু আমাৰ ইতিহাস, আমাৰ ভৱিষ্যৎ সুৰক্ষিত কৰিবলৈ আমি এক কঠিন যুঁজত ব্ৰতী হ'ব লাগিব। অসম তথা ভাৰতৰ সংকটকালত অসমৰ বৌদ্ধিক ৰাজধানীখ্যাত যোৰহাট- শিৱসাগৰবাসীৰ লগতে চৰাইদেউ, নাজিৰা, মাজুলী, তিতাবৰ, টিয়ক, মাহমৰা, ডিমৌ, সোণাৰি কিম্বা মৰিয়নিবাসীয়ে সদায় দায়িত্বশীল বীৰোচিত ভূমিকা পালন কৰি আহিছে। সেয়া আহোম ৰাজবংশৰ ছশবছৰীয়া গৌৰৱোজ্জল ইতিহাসৰ সময়চোৱাতে হওঁক কিম্বা অসম তথা ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়চোৱাতে হওঁক অথবা স্বাধীনোত্তৰ ভাৰতৰ ৰাজনৈতিক ইতিহাসতেই হওঁক; বৃহত্তৰ যোৰহাট - শিৱসাগৰবাসীৰ ভূমিকা সকলো সময়তে আছিল বীৰত্বপূৰ্ণ, সাহসী, আপোচহীন আৰু পথপ্ৰদৰ্শনকাৰী।

এই ঐতিহ্য আৰু আপোচহীন স্থিতি, পথ প্ৰদৰ্শকৰ ভূমিকাত আমি অনাগত দিনতো অব্যাহত ৰাখিব লাগিব। সেয়েহে দেশৰ লগতে অসম আৰু অসমীয়াৰ সংকটকালত অনুষ্ঠিত হ'বলগীয়া আগন্তুক ১৯ এপ্ৰিল, ২০২৪ তাৰিখৰ নিৰ্বাচনতো আমি আকৌ এবাৰ নিজৰ ঐতিহাসিক দায়িত্ব পালন কৰিব লাগিব। সাম্প্ৰতিক সময়ৰ বহুমুখী সংকট মোকাবিলা কৰিবলৈ আমাক প্ৰয়োজন হ'ব সৎ, সাহসী, যোগ্য, আপোচহীন আৰু সুদক্ষ নেতাৰ। বিগত দুটাকৈ কাৰ্যকালত লোকসভাৰ সদস্য হিচাপে এই সকলোখিনি গুণৰ অধিকাৰী হিচাপে নিজকে প্ৰতিপন্ন কৰিবলৈ সক্ষম হৈছে যোৰহাটৰ সু-সন্তান গৌৰৱ গগৈ।

আগন্তুক লোকসভা নিৰ্বাচনত যোৰহাট লোকসভা সমষ্টিত অসমৰ বিৰোধী ঐক্যমঞ্চ সমৰ্থিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে জনদৰদী-জনমুখী যুৱকণ্ঠ গৌৰৱ গগৈ। বিজেপিৰ বিৰুদ্ধে এয়া গৌৰৱ গগৈৰ কিম্বা কংগ্ৰেছৰ একক যুঁজ নহয়। বিজেপিৰ জনবিৰোধী, অসমবিৰোধী, অসমীয়া বিদ্বেষী কাৰ্যকলাপ প্ৰতিহত কৰিবলৈ যোৰহাট লোকসভা সমষ্টিৰ প্ৰতিগৰাকী সচেতন, বিবেকবান, স্বাভিমমানী, স্বদেশপ্ৰেমী নাগৰিকে এই সংকটকালত গৌৰৱ গগৈৰ কাষত থিয় দিয়াটো সময়ৰ দাবী।



যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত প্ৰতিটো বিধানসভা সমষ্টিৰ প্ৰতিগৰাকী বিবেকবান ভোটাৰকেই এই জাতীয় দায়িত্ব মূৰ পাতি ল'বলৈ আমি বিনম্ৰভাৱে অনুৰোধ জনালোঁ। আশা কৰোঁ যোৰহাট লোকসভা সমষ্টিৰ প্ৰতিগৰাকী সজাগ, সচেতন, বিবেকবান আৰু দায়িত্বশীল ভোটাৰে কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈক হাতৰ ছবিত বুটাম টিপি ভোট দি বিপুল ব্যৱধানত জয়যুক্ত কৰিব।

যোৰহাট লোকসভা সমষ্টিৰ ভোটাৰ ৰাইজলৈ আন্তৰিক সেৱাৰে—

**দেবব্ৰত শইকীয়া**

বিৰোধী দলপতি, অসম বিধানসভা